## আইতাৰ ঢেঁকীশালখন

পঢ়ি থকাৰ মাজতে হঠাৎ ল'ৰাৰ প্ৰশ্ন—মা, 'ঢেঁকীশাল' মানে কিনো? বৰ্তমান প্ৰজন্মৰ সৰহসংখ্যকৰ অচিনাকি, কাঠৰ ধান বনা যতন 'ঢেঁকী' আৰু ঢেঁকী থকা ঘৰ 'ঢেঁকীশাল' শব্দটো ইন্দ্ৰিয়স্পৰ্শ হোৱা মাত্ৰেই খন্তেক সময় মানসপটত উন্মেষিত স্মৃতিৰ সঁফুৰাটিত উটি-ভাহি ফুৰিবলৈ ধৰিলোঁ। নিচেই কাষৰ আপোনজনৰ অমিয়াতৃপ্তিৰে ভৰা স্নিগ্ধ সুৰ এটি ভাহি আহি হঠাৎ অনুৰণিত হ'ল মোৰ হৃদয়ৰ নঙলামুখত। ধূসৰ ছবিখন স্পষ্টকৈ চোৱাৰ হেঁপাহেৰে উৰা মাৰিলোঁ ২৫-৩০ বছৰ আগলৈ।

... আইজনী আহচোন ঢেঁকীটো অকণ দাঙি ধৰহি; মই ঢেঁকী ডাং (উচান-বাৰি) ডাল দি লওঁ। দুচলীয়া খেৰৰ চালৰ তলৰ মাৰলিত এটা মূৰ বান্ধি ওলমাই থোৱা জৰীডালত বিশ্বাসেৰে দেহটোৰ দায়িত্ব অৰ্পি বঢ়নী মাৰিৰে বাহিৰৰ চাউলখিনি খুবলিলৈ (গাঁৰিশলি) ঠেলি ঠেলি আইতাৰ মৌসনা মাতৰ তাগিদামিশ্ৰিত চিঞৰ ...। ... ঢেঁকীৰ চাবৰ লহৰে লহৰে অনুনাদিত আইতাৰ সুৰদি কণ্ঠই তৎকালেই ওচৰ চপাই অনা নাতিনীৰ অভিমানসনা ওজৰ-আপত্তি—আইতা তুমিও যে, অকণ খেলিবলৈও নিদিয়া। এহ খেলিবি আহ, ছোৱালীয়ে সকলো কাম শিকিব লাগে। ফিচাখনত ভৰি থৈ ঢেঁকীটো দাঙি ধৰচোন। ঢেঁকীটো লৰি থকা হৈছে, ককাৰক ক'লোঁ আষলশলাই (মলুৱাবাৰী)ডালৰ সৈতে কঁতৰাযোৰ ঠিক কৰি দিবলৈ মন-কাণেই কৰা নাই। ইফালে থোৰাটোৰ গুলটোও বেয়া হৈ গৈছে। স্বতঃস্ফূৰ্তভাৱে কৈ যোৱা আইতাৰ মুখখনলৈ চাই পখিলা খেদাৰ বয়সতে অভিমানী মনে অনুভৱ কৰিলে—আইতাজনীৰ যে কিমান কাম, ৰান্ধনিশাল, জুহাল, তাঁতশাল, গোহালি, পথাৰ ...।

সঁচাকৈয়ে গোবৰ-মাটিৰে মচি আটোম-টোকাৰিকৈ ৰখা আইতাৰ হেঁপাহৰ ঢেঁকীশালখন, আঁৰত থকা আইতাৰ শ্ৰম, ত্যাগ, বিনিময়ত সন্তানৰ ভৱিষ্যৎ গঢ়াৰ সপোন, আদৰ্শবোৰ; মাদকতাৰে ভৰা সেই দিনবোৰ সোঁৱৰণীৰ পটত হেন্দোলনি তুলি সদা সজীৱ হৈ থাকক।

**সংগীতা বৰুৱা বৰা,**
ৰামানুজন কনিষ্ঠ মহাবিদ্যালয়, নগাঁও
ফোন ঃ ৯৮৬৪২৪০৮৯৮

## আভিজাত্য প্ৰদৰ্শন কৰা আলমাৰিৰ কিতাপবোৰ

বৰ্তমান বজাৰকেন্দ্ৰিক অৰ্থ ব্যৱস্থাই আমাৰ জীৱন নিৰ্বাহৰ পদ্ধতি সম্পূৰ্ণ সলনি কৰি পেলাইছে।

স্পষ্টতঃ সাহিত্য, বিজ্ঞান, গণিত, অৰ্থনীতি, ইতিহাস ইত্যাদি মানসিক স্বাস্থ্য থাউকাল কৰা বিষয়সমূহৰ প্ৰতি আমাৰ একেবাৰে আগ্ৰহ নাইকিয়া হৈ গৈছে। বিভিন্ন জনৰ সৈতে আলোচনা কৰিলে আমাৰ মাজৰপৰা বৌদ্ধিক-বৈৰাগ্য ভাববোৰহে প্ৰকট হোৱা দেখা যায়। আমাৰ এটাই সমস্যা—সময়ৰ অকুলন। গ্ৰন্থমেলা বা ছমাহে-বছৰেকত গ্ৰন্থ-বিপণিৰপৰা দুই-এখন কিতাপ কিনা হয় যদিও সেইবোৰ আলমাৰিত আভিজাত্য প্ৰদৰ্শন কৰা সামগ্ৰীৰ বাহিৰে একো হোৱা নাই। তেতিয়া আমাৰ মনলৈ প্ৰখ্যাত কথাশিল্পী ড° ভবেন্দ্ৰ নাথ শইকীয়া ছাৰৰ (১৯৩২-২০০৩) গল্প সংকলন 'এই বন্দৰৰ আবেলি'ত অন্তৰ্ভুক্ত 'ক্লান্তি নামে' শীৰ্ষক গল্পটোত বৰ্ণিত দুটা চৰিত্ৰ—মিছেছ মেনন আৰু পৰিচাৰিকা জেনেটৰ কথাখিনিলৈ মনত পৰে। গল্পকাৰে পৰিচাৰিকা জেনেটৰ যোগেদি এনেদৰে কোৱাইছে—'এইবোৰ আপোনালোকৰ দেশৰ সমাজ, ধৰ্ম, দৰ্শন, ৰাজনীতি, বুৰঞ্জীৰ কিতাপ ইয়াত সজাবৰ কাৰণে ৰখা হৈছে। কোনেও নপঢ়ে। যোৱা ছমাহে মই সামান্য পঢ়িছোঁ। মিছেছ মেননক দেখিলে সেই কিতাপবোৰ ভাবি ভাবি লিখা সাধুকথাৰ কিতাপ যেন লাগে। ... মই অত্যন্ত ভাগৰি পৰিছোঁ বুইছে। একেবাৰে ভাগৰি পৰিছোঁ। আপোনালোকৰ সৌ কিতাপবোৰৰ পাতত থকাৰ নিচিনা পৰিয়াল এটা পতাৰ কামনা কৰি কৰি মই অধৈৰ্য হৈ পৰিছোঁ।' (পৃষ্ঠা ঃ ১০০-১০১)।

এতিয়া কথা হ'ল—আমি আলমাৰিত সজাই থোৱা কিতাপবোৰ পঢ়ি জেনেটৰ দৰে পৰিয়াল বা সমাজ গঢ়াৰ কামনা কৰিব কেতিয়া পাৰিম?

**কুমুদ শইকীয়া,**
বামপৰ্বতীয়া, ভূপেন ডেকা পথ,
তেজপুৰ-৭৮৪০০১, ফোন ঃ ৯৬৭৮৭৪০৬২৫

## মাজুলীৰ মৃৎশিল্প

নদীদ্বীপ মাজুলীৰ বৃহত্তৰ শালমৰাৰ মৃৎশিল্পই গ্ৰাম্য শিল্পকলাৰ প্ৰকৃত পৰিচয় দাঙি ধৰে। এই খাটিখোৱা মৃৎশিল্পী কুমাৰসকল কেতিয়াৰপৰা এই শিল্পকৰ্মৰ লগত জড়িত হৈ আছে সেয়া কোৱাটো কঠিন যদিও আহোম ৰাজ্য প্ৰতিষ্ঠাৰ পৰৱৰ্তী সময়ৰপৰাই মৃৎশিল্পৰ সৈতে এই শালমৰাৰ লোকসকল জড়িত হৈ আছে। দেশী-বিদেশী পৰ্যটকৰ বাবে আকৰ্ষণীয় মৃৎশিল্পটি বহুতৰ বাবে গৱেষণাৰ বিষয় হৈ পৰিছে। ব্ৰহ্মপুত্ৰৰ কাষৰীয়া নিৰিবিলি প্ৰাকৃতিক পৰিৱেশৰ মাজত থকা এই অঞ্চলটোৰ সুবাস ল'বলৈ নিতৌ বহুতো পৰ্যটকৰ আগমন ঘটে।

এই মৃৎশিল্প থকা অঞ্চলটোৰ এটা ঐতিহ্য আছে। অসম বুৰঞ্জীৰ পাত লুটিয়ালে গম পোৱা যায় যে এই মৃৎশিল্প প্ৰস্তুত কৰা শালমৰাৰ চিনাতলী গাঁৱৰে জীয়ৰী আছিল আহোম স্বৰ্গদেউ শিৱসিংহৰ পত্নী ৰাণী বৰৰজা ফুলেশ্বৰী কুঁৱৰী। আহোম ৰাজত্ব কালত দোষীক শাল মাৰি শাস্তি দিয়াৰ বাবে শালমৰা নামটো থাকি যায়। কোনো কোনো লেখক, গৱেষক-পণ্ডিতে মাজুলীৰ শালমৰাৰ মৃৎশিল্পটিক ব্ৰহ্মপুত্ৰ সভ্যতাৰ প্ৰাচীনতম মৃৎশিল্পশৈলীৰ অৱশেষ বুলিও ক'ব খোজে। শেহতীয়াকৈ গৱেষণাৰপৰা জানিব পৰা গৈছে যে শালমৰা অঞ্চলত পোৱা কুমাৰ মাটি ভাৰতবৰ্ষৰ ভিতৰতে সৰ্বাধিক আঠাযুক্ত বুলি প্ৰমাণিত হৈছে। অসমৰ প্ৰায়বোৰ নৈপৰীয়া অঞ্চলত মৃৎশিল্পৰ কেন্দ্ৰ আছে যদিও মাজুলীৰ এই শালমৰা অঞ্চলৰ মৃৎশিল্পই অসমৰ মুঠ শিল্পজাত দ্ৰব্যৰ প্ৰায় এক-তৃতীয়াংশ চাহিদা পূৰণ কৰি আহিছে। এই কুম্ভকাৰসকলে দৈনন্দিন ব্যৱহাৰিক জীৱনৰ লগত জড়িত আৰু ধৰ্মীয় আৰু অন্যান্য উৎসৱ-অনুষ্ঠানত ব্যৱহৃত প্ৰায় ২০-২৫ বিধ সামগ্ৰী তৈয়াৰ কৰে। সেইবোৰৰ ভিতৰত এৰাঁ-টেকেলি, পাতি-টেকেলি, দৈ-টেকেলি, কলহ, মলাচৰু, দুণৰি, নদীয়া, উধান, মঠীয়া, ভুৰুকা, ফুলৰ টাব, চাকি, ধূপদানি, ধূনাদানি, নাগেৰা, মাটিখোল, সজাই থ'ব পৰা সঁজুলি আদি উল্লেখযোগ্য। এইসমূহ সামগ্ৰী অবিহনে অসমীয়া গ্ৰাম্য চহা জীৱন প্ৰায় অচল। আমাৰ বিবাহ অনুষ্ঠান, সবাহ আদিত মৃৎশিল্পৰ প্ৰয়োজন অধিক। দৈ উদ্যোগৰ বাবে এই মৃৎশিল্পৰ চাহিদা যথেষ্ট। এই মৃৎশিল্পই আজিও অসমৰ অৰ্থনীতি খণ্ডলৈ গুৰুত্বপূৰ্ণ বৰঙণি যোগাই আহিছে। সুখ্যাতি বুটলিবলৈ সক্ষম হোৱা এই মৃৎশিল্পটিয়ে বৰ্তমান মৃত্যুৰ ক্ষণ গণিবলৈ আৰম্ভ কৰিছে। বিজ্ঞান-প্ৰযুক্তিৰ অভূতপূৰ্ব উন্নয়নে এই পুৰাতনীয়া শিল্পটিক মোক্ষম আঘাত হনাৰ লগতে শিল্পটি বিভিন্ন প্ৰত্যাহ্বানৰ সন্মুখীন হৈছে। বিশেষকৈ গৰাখহনীয়াৰ বাবে শালমৰা অঞ্চলৰ কুমাৰসকলে কেঁচা সামগ্ৰীৰ সমস্যাৰ সন্মুখীন হৈ আহিছে।

**ভবানন্দ হাজৰিকা,**
গাঁও ঃ খোনাচুক গাঁও, ডাক ঃ গড়মূৰ সত্ৰ,
মাজুলী-৭৮৫১০৪, ফোন ঃ ৯১০১৪২২৬৩৩

## গুৱাহাটী অনাতাঁৰ কেন্দ্ৰৰ ৭৩ বছৰীয়া গৌৰৱময় ইতিহাস

১৯৪৮ চনৰ ১ জুলাইত স্থাপন কৰা গুৱাহাটী অনাতাঁৰ কেন্দ্ৰই যোৱা ১ জুলাইত ৭২ বছৰ সম্পূৰ্ণ কৰি ৭৩ বছৰত ভৰি দিলে। এইটো নিশ্চয়কৈ গৌৰৱৰ কথা। ৰেডিঅ' বা অনাতাঁৰ বুলি ক'লেই আমি বেছিভাগ মানুহে নষ্টালজিক হওঁ। অৱশ্যে যুৱপ্ৰজন্মৰ কথাটো সুকীয়া। টেলিভিছন, মোবাইল ফোন আৰু ইণ্টাৰনেট সেৱা নহালৈকে আমি সকলোৱে ৰেডিঅ' ব্যৱহাৰ কৰিছিলোঁ। ৰাতিপুৱা শুই উঠাৰপৰা আমি ৰেডিঅ'ৰ অনুষ্ঠান উপভোগ কৰিছিলোঁ। অনুষ্ঠান পৰিচিতি, বন্দনা, বিদ্যাৰ্থীৰ অনুষ্ঠান, সংস্কৃত বাতৰি, গীতিমালিকা, ৰাতিপুৱাৰ বাতৰি, সন্ধিয়াৰ